**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-04-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**:::::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। লখিমপুৰ-তিনিচুকীয়াত আজি বিজেপি প্ৰাৰ্থীৰ হৈ অমিত শ্বাহৰ প্ৰচাৰ অভিযান। যোৰহাটত কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ ভূপেন বৰা, জিতেন্দ্ৰ সিঙৰ সভা। মাৰ্ঘেৰিটাত আপৰ আতিশীৰ মটৰ চাইকেল সমদল।

২। বিকশিত ভাৰতৰ বাবে বিকশিত উত্তৰ-পূৰ্বাঞ্চল অত্যন্ত প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মত প্ৰকাশ।

৩। ৰঙালীক আদৰাৰ বাবে সাজু ৰাজ্যবাসী। ১০ বছৰ পুৰণি দুহেজাৰ ৩০৬খন বিহু কমিটীক ৰাজ্য চৰকাৰৰ ডেৰ লাখ টকাকৈ অনুদানৰ সিদ্ধান্ত।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডীগড়ত পাঞ্জাব কিংছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত শাসক-বিৰোধীৰ প্ৰচাৰৰ তৎপৰতা যথেষ্ট বৃদ্ধি পাইছে। বিভিন্ন দলৰ তাৰকা প্ৰচাৰকসকলে অসমলৈ আহি ইতিমধ্যে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি লখিমপুৰত এখন জনসভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে তেওঁ তিনিচুকীয়াত এটা ৰোড শ্ব'ত অংশ ল'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি দিনৰ চাৰে এঘাৰ বজাত লীলাবাৰী বিমান বন্দৰত অৱতৰণ কৰি দুপৰীয়া লখিমপুৰ নগৰৰ সমীপৰ চুকুলীভৰীয়াত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। লখিমপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অন্তত তেওঁ লীলাবাৰীৰ পৰা ডিব্ৰুগড়লৈ ৰাওনা হ'ব। বিয়লি চাৰে চাৰি বজাত শ্ৰী শ্বাহে তিনিচুকীয়াত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। একেদৰে, কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান আৰু টিংখাং বিধানসভা সমষ্টিত তিনিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিঙে আজি যোৰহাটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ চলাব।

আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে কালি ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। আজি তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময় কৰাৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। তেওঁ কাইলৈ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

০০০০০০০

বিকশিত ভাৰতৰ বাবে বিকশিত উত্তৰ-পূৰ্বাঞ্চল অত্যন্ত প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। ৰাজ্যৰ এখন ইংৰাজী বাতৰি কাকতৰ সৈতে

হোৱা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে এই মত প্ৰকাশ কৰাৰ লগতে সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন নতুন ভাৰতৰ সৰ্ববৃহৎ সফলতাৰ কাহিনী হিচাপে চিহ্নিত হোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে যোৱা পাঁচ বছৰত অঞ্চলটোৰ উন্নয়নৰ বাবে কৰা বিনিয়োগ কংগ্ৰেছ চৰকাৰে তেওঁলোকৰ শাসনৰ সময়ত আবন্টন দিয়া ধনৰ তুলনাত প্ৰায় চাৰিগুণ বেছি। যোৱাটো দশকত অঞ্চলটোৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত যেনে ধৰণে উন্নয়ন হৈছে, সেইটোৱে উত্তৰ-পূবক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰিছে। তেওঁ পুনৰ কয়, মণিপুৰত দেশৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় মুকলি কৰাৰ সমান্তৰালকৈ উত্তৰপূবৰ মুঠ আঠখন ৰাজ্যত ২০০ৰো অধিক খেলো ইণ্ডিয়া কেন্দ্ৰ স্থাপন কৰা হৈছে।। বিদ্ৰোহী সমস্যা যথেষ্ট পৰিমাণে নিয়ন্ত্ৰণ কৰি কেন্দ্ৰীয় চৰকাৰে অঞ্চলটোৰ শান্তি নিশ্চিত কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে বিগত দহ বছৰত মুঠ ১১খনকৈ শান্তি চুক্তি স্বাক্ষৰ হোৱাৰ প্ৰসংগও উল্লেখ কৰে। তেওঁ কয় যে ২০১৪ চনৰ পৰা ৯ হাজাৰ ৫০০ৰো অধিক বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰি মূলসুঁতিত যোগদান কৰিছে। আইন শৃংখলা পৰিস্থিতি ক্ৰমাৎ উন্নত হোৱাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ অঞ্চলৰ পৰা আফস্পা প্ৰত্যাহাৰ কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সাক্ষাৎকাৰটোত উল্লেখ কৰিছে।

0000000

ৰাজ্যত লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি ক্ৰমে  ডিফু, দৰং-ওদালগুৰি, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত নিৰ্বাচন অনুষ্ঠিত হ'ব। এইকেইটা সমষ্টিৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। অন্তিম দিনটোত ডিফু সমষ্টিৰ এজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। সেই অনুসৰি দৰং-ওদালগুৰিত ১১ গৰাকী, ডিফুত ৫ গৰাকী, শিলচৰত ৮ গৰাকী, নগাঁৱত ১৩ গৰাকী আৰু কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

0000000

বিভিন্ন জিলা প্ৰশাসনে ৰাজ্যখনত লোকসভা নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ সম্পন্ন কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। আনহাতে, নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনাৰ ৰোধ কৰিবলৈও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বিভিন্ন জিলাত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ, নিৰ্বাচনী ব্যয় পৰ্যৱেক্ষণ, ভোটাৰ সজাগতা কাৰ্যসূচী আদি চলি থকাৰ সমান্তৰালকৈ অবৈধ ধনৰ সৰবৰাহ ৰোধ, মাদক দ্ৰব্য জব্দ কৰা আদি কাৰ্যও কৰি থকা হৈছে।

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলাখনৰ মহিলা ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণত জিলাখনৰ ১২ গৰাকী প্ৰিজাইডিং আৰু ৩৬ গৰাকী পোলিং বিষয়াসহ সৰ্বমুঠ ৪৮ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়াক জিলা পৰ্যায়ৰ প্ৰশিক্ষকসকলে প্ৰশিক্ষণ প্ৰদান কৰে।

যোৰহাট আৰ্বত ভৱনত যোৰহাট লোকসভা সমষ্টিৰ বাবে নিয়োজিত ব্যয় পৰ্যৱেক্ষক অশোক কুমাৰ সুঠাৰে যোৰহাট লোকসভা সমষ্টিৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়োৱা প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয় পুনৰীক্ষণ কৰে। অহা ১৩ আৰু ১৭ এপ্ৰিলত পুনৰ এই পুনৰীক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। বৈঠকত যোৰহাট জিলা পৰিষদৰ মুখ্য

কাৰ্যবাহী সদস্য, সহকাৰী আয়ুক্ত, নিৰ্বাচনী প্ৰাৰ্থীসকলৰ এজেণ্ট, যোৰহাট লোকসভা সমষ্টিৰ ১০টা বিধানসভা সমষ্টিৰ সহকাৰী ব্যয় পৰ্যৱেক্ষক আৰু সহকাৰী গাণনিক বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ত লোকসভা নিৰ্বাচন হ'বলগীয়া ৫ টা সমষ্টিৰ ৩৫ গৰাকী প্ৰাৰ্থী ভিতৰত ১৫ গৰাকী কোটিপতি বুলি এখন প্ৰতিবেদনত প্ৰকাশ হৈছে। প্ৰাৰ্থীসকলে শপতনামাত দিয়া তথ্যৰ ভিত্তিতে এটা সংস্থাই এই প্ৰতিবেদনখন প্ৰস্তুত কৰিছে। সংস্থাটোৱে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া সমগ্ৰ দেশৰ এহেজাৰ ৬১৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰৰ সৈতে দাখিল কৰা শপতনামা পৰ্যালোচনা কৰিছিল। প্ৰথম পৰ্যায়ত ৰাজ্যৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, যোৰহাট আৰু ডিব্ৰুগড় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত এই সমষ্টিকেইটাত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া ৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত স্থাবৰ-অস্থাবৰ সম্পত্তিৰ নীৰিখত কাজিৰঙাৰ নিৰ্দলীয় প্ৰাৰ্থী দিলৱাৰা বেগম চৌধুৰী শীৰ্ষত আছে। তেওঁৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ১৭ কোটি ৫৮ লাখ ৪৩ হাজাৰ ৭৭ টকা। ইপিনে প্ৰথম পৰ্যায়ত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ প্ৰাৰ্থীসকলৰ ভিতৰত সম্পত্তিৰ পৰিমাণেৰে মধ্যপ্ৰদেশৰ ছিন্দৱাৰা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী নকুল নাথ শীৰ্ষত আছে। তেওঁৰ সম্পত্তিৰ পৰিমাণ হৈছে ৭১৬ কোটি টকাৰো অধিক। ইয়াৰ বিপৰীতে তামিলনাডুৰ থুথুগুৰি সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী পোনৰাজ কেৰ সম্পত্তিৰ পৰিমাণ মাত্ৰ ৩২০ টকা আৰু তেওঁ হৈছে প্ৰথম পৰ্যায়ত নিৰ্বাচনত অৱতীৰ্ণ দেশৰ আটাইতকৈ দুখীয়া প্ৰাৰ্থী।

০০০০০০০

নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা জাননীৰ বৈধতা সন্দৰ্ভত আজি উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ মাৰ্চত জাৰি কৰা নিৰ্দেশনাৱলী স্থগিত ৰাখিবলৈ অসম সন্মিলিত মহাসংঘৰ লগতে বিভিন্ন পক্ষই দাখিল কৰা ২০ খন আবেদনৰ পৰিপ্ৰেক্ষিতত এই শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ২৩৭টা গোচৰ বিচাৰাধীন হৈ আছে।

০০০০০০০

হেঁপাহৰ ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকা অৱস্থাত প্ৰাক ৰঙালী ৰঙেৰে ৰাজ্যৰ চৌদিশ মুখৰিত হৈ পৰিছে। ৰঙালীক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক প্ৰস্তুতি চলিছে। ঠায়ে ঠায়ে বিহুৰ আখৰা চলি থকাৰ লগতে বিভিন্ন ঠাইত বিহুনাচ আৰু ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে।

শোণিতপুৰ জিলাৰ গোৰ্খা গাঁও গংগাপুৰত জ্যোতি ভাৰতীৰ উদ্যোগত ৫ দিনীয়াকৈ বিহু কৰ্মশালা অনুষ্ঠিত হৈছে। এই কৰ্মশালাত এশতকৈ অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

ইফালে বিগত বৰ্ষৰ দৰে এইবাৰো ৰাজ্য চৰকাৰে ১০ বছৰ পুৰণি দুহেজাৰ ৩০৬ খন বিহু উদযাপন সমিতিক ডেৰ লাখ টকাকৈ অনুদান প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। অৱশ্যে নিৰ্বাচনী আচৰনবিধি বলৱৎ হৈ থকা বাবে বিহু সমিতিসমূহক অনুদান মুকলি কৰি দিয়াত সমস্যাৰ সৃষ্টি হোৱাত ৰাজ্য চৰকাৰ নিৰ্বাচন আয়োগৰ কাষ চাপিছিল। শেহতীয়াকৈ নিৰ্বাচন আয়োগে ১৩ বছৰ পুৰণি বিহু সমিতিসমূহক ডেৰ লাখ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰিবলৈ সেউজ সংকেট দিছে। ৰাজ্য চৰকাৰে দুই-এদিনৰ ভিতৰতে সৰ্বমুঠ ৩৫ কোটি টকা ব্যয় সাপেক্ষে বিহু সমিতিসমূহক আৰ্থিক অনুদান প্ৰদান কৰিব। উল্লেখযোগ্য যে, ২০২২ বৰ্ষত ৰাজ্যৰ এহেজাৰ ২৬৫ খন বিহু সমিতিক অনুদান বিতৰণ কৰাৰ বিপৰীতে ২০২৩ বৰ্ষত দুহেজাৰ ১১৪ খন বিহু সমিতিক অনুদান

আগবঢ়াইছিল। এইবাৰ অতিৰিক্ত প্ৰায় ২০০ খন বিহু সমিতিক ৰাজ্য চৰকাৰে অনুদান আগবঢ়াব বুলি জানিবলৈ দিছে।

0000000

লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে গুৱাহাটী মহানগৰৰ দিশপুৰত থকা লোক নিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত কালি কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচন এলেকাৰ বাবে ই ভি এম ব্যৱহাৰৰ যাৱতীয় প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত ৮০ গৰাকী প্ৰশিক্ষাৰ্থীক জিলা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষকে ই ভি এম পৰিচালনাৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰে। মৰিগাঁও জিলাত নিৰ্বাচনৰ বাবে নিয়োজিত ১৫৩ গৰাকী মহিলা ভোটগ্ৰহণকাৰী বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। জিলাখনত নিৰ্বাচনৰ বাবে নিয়োজিত বিষয়া-কৰ্মচাৰীৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণৰ কালি সামৰণি পৰে। অন্তিম দিনা ৮ গৰাকী বিশেষভাৱে সক্ষম মহিলাকে ধৰি মহিলা ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হয়।

0000000

আকাশবাণী গুৱাহাটীৰ আজি নিশা চাৰে ন বজাত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত লোক নিৰ্ণয় ২০২৪ শীৰ্ষক অনুষ্ঠানত লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ৰাজ্যিক নিৰ্বাচন বিভাগৰ সচিব কৈলাশ কাৰ্তিক এন, নিৰ্বাচন বিভাগৰ যুটীয়া সচিব পংকজ চক্ৰৱৰ্তী আৰু উপ মুখ্য নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভড়ালী উপস্থিত থাকিব। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬, ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি পোনপটীয়াকৈ অংশ লব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চণ্ডিগড়ৰ মহাৰাজা যাদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত পাঞ্জাব কিংছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কলকাতাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৩৭ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ শ্ৰেয়াছ আয়াৰে ৩২টা বলত সৰ্বাধিক ৩৪ ৰানৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ তুষাৰ দেশপাণ্ডে আৰু ৰবীন্দ্ৰ জাদেজাই ৩টাকৈ আৰু মুস্তাফিজুৰ ৰহমানে ২টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত চেন্নাইয়ে ১৪টা বল বাকী থকা অৱস্থাত ৩টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ অধিনায়ক ঋতুৰাজ গায়কোৱাড়ে ৫৮টা বলত ৬৭ ৰান কৰি আউট নোহোৱাকৈ থাকে।

0000000

চীনৰ নিংবোত আজি চলিত বৰ্ষৰ এছিয়া চেম্পিয়নশ্বিপ বেডমিণ্টন প্ৰতিযোগিতাৰ আৰম্ভ হ'ব। প্ৰতিযোগিতাত ভাৰতৰ হৈ এইচ এছ প্ৰণয়, কিদাম্বী শ্ৰীকান্ত, লক্ষ্য সেন আৰু পি ভি সিন্ধুকে ধৰি কেইবাগৰাকীও আগশাৰীৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত এইচ এছ প্ৰণয় চীনৰ লু গুৱাজ্‌ঝৌ আৰু কিদাম্বী শ্ৰীকান্ত ইণ্ডোনেছিয়াৰ এনথনী গিংটিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে, লক্ষ্য সেন প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত শীৰ্ষ বাছনিপ্ৰাপ্ত ছি য়ু কীৰ মুখামুখি হ'ব। ভাৰতৰ আন এগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱাটে মালয়েছিয়াৰ লী জিৰ বিৰুদ্ধে প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব।

আনহাতে মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডৰ খেলত পি ভি সিন্ধু মালয়েছিয়াৰ গহ জিন ৱেইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মূল পৰ্যায়ৰ প্ৰথম ৰাউণ্ডৰ আন এখন খেলত ভাৰত আকৰ্ষী কাশ্যপ থাইলেণ্ডৰ ৰুছানান অংবামৰুংফানৰ সন্মুখীন হ'ব। অৱশ্যে ভাৰতৰ অস্মিতা চলিহা আৰু মালবিকা বানছোড়ে প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী পৰ্যায়ৰ খেলেৰে প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব।

একেদৰে, পুৰুষৰ ডাবলছত এম আৰ অৰ্জুন আৰু ধ্ৰুৱ কপিলাৰ ভাৰতীয় যুটীটো সপ্তম বাছনিপ্ৰাপ্ত চীনৰ লীউ য়ু ছেন আৰু ঔ জুৱান য়ীৰ যুটীটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত পুৰুষৰ ডাবলছত কৃষ্ণ প্ৰসাদ গৰগা আৰু ছাই প্ৰতীক কেৰ যুটীটোৱেও অংশগ্ৰহণ কৰিব। মহিলাৰ ডাবলছত তানিশা ক্ৰাষ্ট' আৰু অশ্বিনী পোনাপ্পা ইণ্ডোনেছিয়াৰ ফ্ৰেব্ৰিয়ানা ডিপুজি কুসুমা আৰু এমেল্লিয়া কাহায়া প্ৰতিৱীৰ আৰু তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো চীনৰ চতুৰ্থ বাছনিপ্ৰাপ্ত লীউ ছেং ছু আৰু টান নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

এই প্ৰতিযোগিতাত অহা জুলাইত হ'বলগীয়া পেৰিছ অলিম্পিকৰ পূৰ্বে খেলুৱৈসকলক নিজৰ ৰেংকিঙৰ পইণ্ট বৃদ্ধিৰ সুযোগ প্ৰদান কৰিব। অহা ১৪ এপ্ৰিলত এছিয়া চেম্পিয়নশ্বিপৰ সামৰণি পৰিব।

0000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহে বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে দুহেজাৰ ৩০৬খন বিহুতলীক ৩৫ কোটি টকা ব্যয় সাপেক্ষে ডেৰ লাখ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাকতখনে প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱা ৰাজ্যৰ ১৫ গৰাকী প্ৰাৰ্থী কোটিপতি বুলি অন্য এটা বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসম লোকসেৱা আয়োগৰ ২০১৩ বৰ্ষৰ পৰীক্ষাত উত্তৰবহী জালিয়াতিৰে ৰাজপত্ৰিত বিষয়া হোৱা কেইবাগৰাকীও প্ৰাৰ্থীৰ তদন্ত অব্যাহত আছে। ন্যায়িক তদন্ত আয়োগে জালিয়াতি সংঘটিত হোৱা বহু সংখ্যক উত্তৰবহী ধৰা পেলোৱাৰ পাছত সেই পৰীক্ষাসমূহৰ নিৰীক্ষকৰ দায়িত্বত থকাসকলক বিশেষ তদন্তকাৰী গোটে জেৰা আৰম্ভ কৰিছে। উত্তৰবহীত অতিৰিক্ত পৃষ্ঠ সংযোগ কৰা, নম্বৰ বৃদ্ধি কৰা আদি কাণ্ড সংঘটিত হোৱা একাংশ বহী পোহৰলৈ অহা বাতৰিটো **অসমীয়া খবৰ** আৰু **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

শাসনলৈ আহিলে কংগ্ৰেছ চৰকাৰে অসমৰ চাহ শ্ৰমিক তথা চাহ বাগিচাৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলি কংগ্ৰেছৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙে ঘোষণা কৰিছে। বিৰোধী দলে প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে কংগ্ৰেছৰ ন্যায় পত্ৰ মুকলি কৰি জিতেন্দ্ৰ সিঙৰ ঘোষণা, জধে-মধে বাগিচা বিক্ৰী বন্ধ কৰি শ্ৰমিকক সমবায় ভিত্তিত দিব বাগিচাৰ কৰ্তৃত্ব শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিকশিত ভাৰতৰ বাবে বিকশিত পূৰ্বোত্তৰ নিত্যান্তই প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা সাক্ষাতকাৰত কৰা মন্তব্য **দৈনিক অসম** আৰু **দ্যা আছাম ট্ৰিবিউন, দি ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** আৰু **নিয়মীয়া বাৰ্তা** কাকতে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি লখিমপুৰৰ নিৰ্বাচনী সভাত অংশ ল'বলগীয়া বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – দাম বৃদ্ধি, ক্ৰয় ক্ষমতা হ্ৰাসৰ প্ৰভাৱ কাপোৰৰ দোকান, শ্বপিংমলত, ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি, স্বদেশ-স্বজাতিৰ সুৰক্ষাৰ পণ, ১২ এপ্ৰিলত ইউ পি পি এলত যোগদান কৰিব চন্দন ব্ৰহ্মই ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooooo

**সমাপ্ত**